**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-02-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১।	এডভাণ্টেজ আছাম সন্মিলন, ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণৰ উদ্দেশ্যে দুদিনীয়া সূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ আজি অসম আগমণ।

২।	গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত আজি ৮ হাজাৰৰো অধিক শিল্পীৰ ঝুমইৰ বিনন্দিনী অনুষ্ঠান পৰিবেশন।

৩।	বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ নেতৃত্বত ৪৫খন দেশৰ প্ৰতিনিধি আজি পুৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন।

৪।	ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপকক এইমছৰ চিকিৎসকৰ সমপৰ্যায়ৰ সা-সুবিধা প্ৰদানৰ বাবে অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত।

আৰু

৫।	আই চি চি চেম্পিয়নছ ট্ৰফীৰ যোৱা নিশা ডুবাইত অনুষ্ঠিত খেলত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ৬ উইকেটত  জয়।

০০০০০০

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশ লোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। শ্ৰীমোডীয়ে আজি ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী** উপভোগ কৰি সন্ধিয়াৰ ভাগত সন্মিলনৰ প্ৰদৰ্শনী উদ্বোধন কৰিব। কাইলৈ প্ৰধানমন্ত্ৰীয়ে এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা নিশা এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে খানাপাৰাত উপস্থিত হৈ সাংবাদিকৰ আগত এইদৰে কয়।

**-ভইচ কাষ্ট-**

এই সন্মিলনৰ বাবে মহানগৰীৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। এই অনুষ্ঠানৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে পৰ্যাপ্ত সংখ্যক সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে সকলো দিশত নিৰাপত্তাৰক্ষী সকলে চোকা দৃষ্টি ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেবিনেট মন্ত্ৰী, বিশিষ্ট উদ্যোগপতি আৰু ৰাষ্ট্ৰদূতসকলৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰতিনিধিসকলক ৰাষ্ট্ৰীয় ঘাইপথেৰে অনুষ্ঠানস্থলীলৈ অনা হ'ব যাতে গুৱাহাটীৰ ভিতৰত যান-বাহনৰ চলাচল বিশেষভাৱে প্ৰভাৱিত নহয়। অৱশ্যে, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক তথা বিশেষ বাবে সক্ষম ব্যক্তি আৰু জৰুৰীকালীন বাহন আদিৰ

চলাচলত সুবিধা হোৱাকৈ মহানগৰ আৰক্ষী প্ৰশাসনে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। আজিৰেপৰা পৰা পৰহিলৈ পৰ্যন্ত এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব।

০০০০০০

চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰা বিশ্ব পৰ্যায়লৈ নিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** আজি গুৱাহাটী সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্যৰে আজি ৮ হাজাৰৰো অধিক নাচনী আৰু কলা-কুশলীয়ে **ঝুমইৰ বিনন্দিনী**ৰ অনুষ্ঠান পৰিৱেশন কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত অহা ৬১ গৰাকী ৰাষ্ট্ৰদূতেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ইয়াৰে ২২ গৰাকী ৰাষ্ট্ৰদূতে পৰিয়ালৰ সৈতে এই অনুষ্ঠান উপভোগ কৰিব। এই অনুষ্ঠান ৰাজ্যৰ ৮০০ খন চাহ বাগিচাত টিভি, এল ই ডি, প্ৰজেক্টৰৰ জৰিয়তে চৰকাৰে প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে কালিৰ **ঝুমইৰ বিনন্দিনী**ৰ অন্তিম আখৰাত উপস্থিত থাকে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদ্‌যাপনৰ উদ্দেশ্যে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৩৫০ গৰাকী অতিথিৰ উপস্থিতিত আয়োজন কৰা ঝুমইৰ বিনন্দিনী অনুষ্ঠান চোৱাৰ বাবে যিসকল লোকে প্ৰৱেশ পত্ৰ লৈছে তেওঁলোকক আজি বিয়লি চাৰে তিনি বজাৰ ভিতৰত ষ্টেডিয়ামত অংশগ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে কালি এখন সংবাদমেলত প্ৰকাশ কৰা মতে আজি সন্ধিয়া চাৰে পাঁচ বজাত **ঝুমইৰ বিনন্দিনী** অনুষ্ঠান আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ষ্টেডিয়ামত উপস্থিত হৈ এখন বিশেষ বাহনেৰে ষ্টেডিয়ামৰ চাৰিওফালে ঘূৰি অনুষ্ঠানত অংশগ্ৰহণ কৰা শিল্পী আৰু দৰ্শকক অভিবাদন জনাব। ঝুমুৰ নৃত্য শেষ হোৱাৰ পাছত এটা লেজাৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ সকলো বিধায়কে আমন্ত্ৰণ জনোৱা হৈছে। ইপিনে কালি **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ চূড়ান্ত আখৰা চাই মুখ্যমন্ত্ৰীয়ে পৰৱৰ্তী পৰ্যায়ত নতুন দিল্লীত ২৫ হাজাৰ শিল্পীৰ অংশগ্ৰহণেৰে বৃহৎ পৰিসৰত ঝুমুৰ নৃত্য পৰিৱেশনৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰা বুলিও উল্লেখ কৰিছে। একেদৰে অহা নৱেম্বৰত বড়ো জনগোষ্ঠীৰ বাগৰুম্বা নৃত্য বিশ্বৰ প্ৰেক্ষাপটত উপস্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি চলাব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে আয়োজন কৰা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ অহা ৪৫ খন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তই আজি একেলগে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰে। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত অহা দলটোৱে কালি কাজিৰঙাত নিশা যাপন কৰে। ৰাষ্ট্ৰদূতসকলৰ বাবে নিশা সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত অসমৰ বাৰেৰহনীয়া কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়। দলটোৱে আজি পুৱা হাতী ছাফাৰী কৰাৰ পাছত মিহিৰমুখৰ পিলখানাত হাতীক বিভিন্ন খাদ্য খুৱায়।

ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণ কৰি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে সংবাদ মাধ্যমৰ আগত এইদৰে নিজৰ মনৰ ভাব প্ৰকাশ কৰে।

*(বাইট ঃ জয়শংকৰ)*

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীৰ লগতে ৰাষ্ট্ৰদূতসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰা সন্দৰ্ভত আমাৰ গোলাঘাটৰ সংবাদদাতা হিৰণ্য গগৈয়ে এইদৰে কয়–

*(বাইট ঃ হিৰণ্য গগৈ)*

০০০০০০

এডভাণ্টেজ আছাম দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্যত এক লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিবলৈ কালি মন্ত্ৰী সভাৰ বৈঠকে অনুমোদন জনায়। কালি দিছপুৰত অনুষ্ঠিত বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মেলত এই বৃহৎ পৰিমাণৰ বিনিয়োগৰ বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে এই সময়চোৱাতে জিলা পৰ্যায়ত ৫ লাখ টকাৰ পৰা ৫০ কোটি টকালৈ বিনিয়োগৰ বাবে জিলা আয়ুক্তসকলে ২হেজাৰ ৫৯০খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। জিলা পৰ্যায়ত হোৱা এই চুক্তিৰ পৰা ১৫ হাজাৰ ৫৯০ কোটি টকা বিনিয়োগ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। অৱশ্যে,কামৰূপ মহানগৰ জিলাৰ বাবে বুজাবুজিৰ চুক্তি সমূহ এডভাণ্টেজ আছাম সন্মিলনত স্বাক্ষৰ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। বস্ত্ৰ শিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভত এই চুক্তিসমূহ স্বাক্ষৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। বিভিন্ন মন্ত্ৰালয়ে এই সন্মিলনত আন্তঃগাঁথনি বিনিয়োগৰ ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ কয়। ধন বিনিয়োগ সম্পৰ্কীয় বুজাবুজি চুক্তিৰ উপৰি বিত্তীয় উপাদান জড়িত নথকা কেতবোৰ চুক্তি যেনে-প্ৰযুক্তিৰ বণ্টন, শৈক্ষিক সহযোগিতাক ধৰি কেইবাটাও বিষয়ত চুক্তি স্বাক্ষৰ হ'ব বুলি তেওঁ কয়। ইয়াৰ ফলত বিনিয়োগৰ পৰিমাণ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ৰিলায়েন্স আৰু আদানী গ্ৰুপে সন্মিলনত কোনো ধৰণৰ চুক্তি নকৰে যদিও বিনিয়োগ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিব বুলি ডঃ শৰ্মাই কয়। একেদৰে, জাপান আৰু ছিংগাপুৰে বিনিয়োগ সন্দৰ্ভত চুক্তি নকৰে যদিও দেশ দুখনত অসমৰ যুৱক-যুৱতীৰ দক্ষতা বিকাশ আৰু কৰ্ম সংস্থাপনৰ সুযোগ দিব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়সমূহৰ পঞ্জীয়কৰ পৰা অধ্যাপকলৈকে সকলোকে এতিয়াৰে পৰা এইমছৰ চিকিৎসকৰ সমপৰ্যায়ত সা-সুবিধা প্ৰদানৰ বাবেও কালি মন্ত্ৰীসভাৰ বৈঠকে গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মন্ত্ৰীসভাই তেওঁলোকৰ বাবে কেৰিয়াৰ পদোন্নতি আঁচনিত দিয়া অনুমোদনৰ ফলত চিকিৎসা মহাবিদ্যালয়সমূহৰ অধ্যাপক তথা পঞ্জীয়কসকল পদোন্নতিৰ সুবিধা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তদুপৰি, চিকিৎসা মহাবিদ্যালয়ত কৰ্মৰত চিকিৎসকক বছৰি দুখনকৈ ৰাষ্ট্ৰীয় আৰু দুখনকৈ এছীয় শৈক্ষিক আলোচনা চক্ৰত অংশগ্ৰহণৰ সুবিধা দিয়া হ'ব। ইয়াৰ বাবে সকলো ব্যয় চৰকাৰে বহন কৰিব। কালি মন্ত্ৰীসভাই ষষ্ঠ অসম বিত্তীয় আয়োগৰ কাৰ্যকাল অহা বছৰৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি, ডিব্ৰুগড় আৰু শিৱসাগৰৰ আন্তঃগাঁথনিমূলক কাম-কাজৰ বাবে ৫৫ কোটি টকাৰ আৱণ্টনত মন্ত্ৰী সভাই অনুমোদন জনায়। ইয়াৰ উপৰি মন্ত্ৰীসভাই অসম, জৈৱ প্ৰযুক্তি নীতিৰ সংশোধনী তথা বস্ত্ৰ আৰু সাজপাৰ নীতি ২০২৫ তো অনুমোদন জনাইছে।

০০০০০০

বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কালি চিৰাং জিলাৰ সদৰ কাজলগাঁৱত ছহিদ সুজিৎ নাৰ্জাৰীৰ সোঁৱৰণীত নতুনকৈ নিৰ্মাণ কৰা এটা প্ৰেক্ষাগৃহ মুকলি কৰে। বি টি আৰ চুক্তি অনুসৰি প্ৰতিটো পৰিষদীয়

সমষ্টিতে এনে ধৰণৰ সামূহিক প্ৰেক্ষাগৃহ নিৰ্মাণৰ কাম আৰম্ভ হৈছে। নৱ নিৰ্মিত কাজল গাঁৱৰ এই প্ৰেক্ষাগৃহটো মুকলি কৰি বি টি চি প্ৰধান প্ৰমোদ বড়োৱে কয়, যে জিলা সদৰৰ সৰ্বসাধাৰণ ৰাইজৰ সভা-সমিতি অনুষ্ঠিত কৰাৰ বাবে এই প্ৰেক্ষাগৃহটো উপযুক্ত হ'ব। তেওঁ কয়, যে বি টি আৰৰ প্ৰতিটো সমষ্টিতে নিৰ্মাণ হ'বলগীয়া ছহিদ সুজিৎ নাৰ্জাৰী সোঁৱৰণী সামূহিক প্ৰেক্ষাগৃহ আৰু অন্যান্য জনগোষ্ঠীসমূহৰ বাবে নিৰ্মাণ কৰিবলগীয়া প্ৰেক্ষাগৃহ তথা অন্যান্য অনুষ্ঠানসমূহে বি টি আৰ বাসীক যথেষ্ট উপকৃত কৰিব। প্ৰেক্ষাগৃহ মুকলি অনুষ্ঠানত কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰী, ছিদলীৰ বিধায়ক নিৰ্মল কুমাৰ ব্ৰহ্ম, বি টি চিৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰী, পাৰিষদ মাধৱ ছেত্ৰীৰ লগতে বহু সংখ্যক বিশিষ্ট লোক উপস্থিত থাকে।

০০০০০০

বিশিষ্ট চিত্ৰশিল্পী দিলীপ তামুলীক কালি প্ৰণৱ বৰুৱা শিল্পী বঁটা প্ৰদান কৰা হয়। নগাঁৱৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত চিত্ৰী শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে গামোচা, প্ৰশস্তি পত্ৰ, স্মাৰক আৰু নগদ ২৫ হাজাৰ টকা। শিল্পী প্ৰণৱ বৰুৱাৰ পৰিয়াল তথা প্ৰণৱ বৰুৱা কলাক্ষেত্ৰ পৰিচালনা সমিতিৰ হৈ শিল্পীগৰাকীক যশস্বী চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাই এই বঁটা প্ৰদান কৰে।

০০০০০০

প্ৰধানমন্ত্ৰীৰ উপস্থিতি বিশ্ব অভিলেখৰ লক্ষ্যৰে আজি গুৱাহাটীত ঝুমইৰ বিনন্দিনী, এডভাণ্টেজ আছামত হ'বলগীয়া বৃহৎ বিনিয়োগৰ চুক্তিত মন্ত্ৰীসভাৰ অনুমোদনৰ বাতৰি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক অসম, দৈনিক জনমভূমি, অসমীয়া প্ৰতিদিন, আমাৰ অসম, দি আছাম ট্ৰিবিউন, দ্যা ছেণ্টিনেল আদি আটাইবোৰ কাকতে প্ৰকাশ কৰিছে।

চিকিৎসা মহাবিদ্যালয়ত কৰ্মৰত অধ্যাপক, সহকাৰী অধ্যাপক, সহযোগী অধ্যাপকসকলে অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান এইমছৰ চিকিৎসকৰ দৰে যাতে সা-সুবিধা লাভ কৰিব পাৰে, তাৰ বাবে মন্ত্ৰীসভাই বিশেষ পদক্ষেপ লৈছে এই বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

চিকিৎসাত ব্যৱহাৰ হোৱা দেশৰ বহুকেইবিধ জীৱনদায়িনী ঔষধৰ নিম্ন গুণগত মানৰ বাবে কেন্দ্ৰীয় ঔষধ নিয়ন্ত্ৰক সংস্থাই এইসমূহৰ ৰপ্তানিত নিষেধাজ্ঞা জাৰি কৰিছে। এই বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ভাৰতীয় পণ্যৰ ওপৰত প্ৰতিশুল্ক আৰোপ কৰিবলৈ আমেৰিকা সাজু হৈছে বুলি মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে যোৱা শনিবাৰে এটা অনুষ্ঠানত মন্তব্য কৰে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ভাগ লোৱাৰ উদ্দেশ্যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত অহা প্ৰায় ৪৫ খন দেশৰ ৰাষ্ট্ৰদূত তথা বিদেশী প্ৰতিনিধিয়ে কালি কাজিৰঙাত উপস্থিত হোৱা বাতৰিটো দৈনিক জনমভূমি কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

ইউ এছ টি এমৰ বিতৰ্কিত আচাৰ্য মহবুবুল হকৰ জামিন আবেদন খাৰিজ কৰি শ্ৰী ভূমি কাৰাগাৰলৈ প্ৰেৰণ কৰা বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

চীনে ব্ৰহ্মপুত্ৰৰ উৎসস্থলীত নিৰ্মাণ কৰা বান্ধে পৰিৱেশত বিৰূপ প্ৰভাৱ পেলোৱাৰ লগতে পৃথিৱীৰ ঘূৰ্ণন প্ৰক্ৰিয়া সলনি কৰাৰ আশংকা কৰা হৈছে। এই সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে বাতৰি প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰ নিৰ্মাণৰ যাত্ৰাত উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ শক্তিক জৰিত হ'বলৈ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আহ্বান জনাইছে। এই বাতৰিটো দৈনিক অসম কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

তিনিচুকীয়া জিলাৰ জানমুখত মটক জনগোষ্ঠী লোকসকলে কালিৰেপৰা নৰাছিঙা বিহু নাইবা নৰাছিঙা গৰখীয়া ভোজৰ আয়োজন কৰিছে। কৃষি ভিত্তিক এই উৎসৱ প্ৰধানকৈ গৰখীয়া সমাজখনক কেন্দ্ৰ কৰি পালন কৰা হয়। উজনি অসমৰ মটক জনগোষ্ঠী বসতিপ্ৰধান গাঁওসমূহত এই বিহু পালন কৰা হয় যদিও জানমুখত কেইবা শতিকা ধৰি এই বিহু পালন কৰা হয় আহিছে বুলি অঞ্চলটোৰ জনসাধাৰণে প্ৰকাশ কৰে।

০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফীত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে। বিৰাট কোহলীয়ে শতক অৰ্জন কৰি পাকিস্তানৰ বলিং আক্ৰমণ প্ৰতিহত কৰে। প্ৰথমে বেটিং কৰিবলৈ লৈ পাকিস্তানে দুটা বল বাকী থকা অৱস্থাত ২৪১ ৰাণ সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ কুলদ্বীপ যাদৱে ৩টা, হাৰ্ডিক পাণ্ডিয়াই ২টা, হৰ্ষিত ৰাণা, অক্ষৰ পেটেল আৰু ৰবিন্দ্ৰ জাডেজাই এটাকৈ উইকেট দখল কৰে। বিৰাট কোহলীৰ অপৰাজিত শতক, শ্ৰেয়াছ আয়াৰৰ ৫৬ ৰাণ আৰু শুভমন গিলৰ ৪৬ ৰাণৰে ভাৰতে সহজে জয়ৰ লক্ষ্য অতিক্ৰম কৰে।

বিৰাট কোহলীয়ে এই শতকেৰে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ১৪ হাজাৰ ৰান সম্পূৰ্ণ কৰি বিশ্বৰ দ্ৰুততম বেটছমেন হিচাপে পৰিগণিত হয়। শচীন তেণ্ডুলকাৰ আৰু কুমাৰ ছাংগাক্কাৰা পাছত কোহলী হ'ল এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ১৪ হাজাৰ বা ততোধিক ৰান কৰা তৃতীয়জন বেটছমেন।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত গাজনি-ঢেৰেকনিৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে। কালি অহা এজাক পাতলীয়া বৰষুণৰ ফলত গুৱাহাটীৰ বায়ুৰ মান কিছু উন্নত হৈছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ তথ্য অনুসৰি কালি সন্ধিয়া ৭ বজাত গুৱাহাটী মহানগৰৰ বৰঝাৰ আৰু পানবজাৰৰ বায়ুৰ গুণমান সূচকাংক আছিল ৮৮ আৰু ৫২। এই মান সন্তোষজনক বুলি গণ্য কৰা হয়। অৱশ্যে, বামুণীমৈদাম ৰে'লৰে কলনীত বায়ু গুণমান সূচকাংক ১২৪ পোৱা গৈছে। নগাঁও, নলবাৰী, শিলচৰ আৰু শিৱসাগৰতো কালি বায়ুৰ মান সন্তোষজনক আছিল।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে।

oooooo

সমাপ্ত